অসম বিধান সভা

* তৰা যুক্ত প্ৰশ্ন নংঃ ৭৬

উত্তৰ দিয়াৰ তাৰিখঃ০৯-০৭-২০২৬

বিষয় ঃ ১১৯ নং সোনাই বিধানসভার উচ্চ শিক্ষার সুবিধার সম্পর্কে।

বিধায়কৰ নাম ঃ শ্ৰী আমিনুল হক লস্কর।

**প্ৰশ্নঃ**

মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কিঃ

(ক) ১১৯ নং সোনাই বিধানসভায় নবনির্মিত মডেল রেসিডেন্সিয়াল স্কুল চালু করতে কবে থেকে নিয়োগ প্রক্রিয়া শুরু করা হবে?

(খ) সোনাই মডেল রেসিডেন্সিয়াল স্কুলে নতুন শিক্ষাবর্ষ কবে থেকে শুরু করা হবে?

(গ) ১১৯ নং সোনাই বিধানসভার বোয়ালি আই টি আইর নির্মাণ কাজ কখন সম্পন্ন হবে এবং কবে শিক্ষক নিয়োগ করা হবে?

(ঘ) বোয়ালি আই টি আই'তে কবে নতুন শিক্ষাবর্ষ শুরু করা হবে?

(ঙ) সোনাই বিধানসভার মাধব চন্দ্র দাস কলেজ এবং জনতা কলেজের বিজ্ঞান শাখার সর্বশেষ অবস্থা কি? এবং এই দুই কলেজে কতজনকে নিযুক্তি দেওয়া হয়েছে?

(চ) বিগত সরকারের আমলে আসামের প্রত্যেকটি বিধানসভার মডেল হাইস্কুলকে ৭.৫ কোটি করে টাকা দেওয়া হয়েছে। ১১৯ নং সোনাই বিধানসভার স্বাধীন বাজার মডেল হাইস্কুলকে তখন কেন বঞ্চিত করা হয়েছিল?

## Answer

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰানোজ পেগু দেৱে উত্তৰ দিবঃ

(ক) PMJVK-ৰ অধীনত আদৰ্শ আৱাসিক বিদ্যালয়সমূহ কাৰ্যকৰী কৰাৰ সন্দৰ্ভত ইতিমধ্যে এখন আন্তঃবিভাগীয় সভা অনুষ্ঠিত হৈছে। এই বৈঠকত ২০২৬ চনৰ মে' মাহত লোক নিৰ্মাণ বিভাগ (PWD)-ৰ পৰা প্ৰাপ্ত শেহতীয়া যোগাযোগৰ ভিত্তিত প্ৰধানমন্ত্ৰী জন বিকাশ কাৰ্যসূচী (PMJVK) প্ৰকল্পৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। এই সন্দৰ্ভত নিৰ্মাণ সম্পূৰ্ণ হোৱা গৃহসমূহ কিদৰে ব্যৱহাৰ কৰিব পৰা যায় তাৰ পৰিকল্পনা প্ৰস্তুত কৰাৰ ব্যৱস্থা হৈ আছে।

এই সম্পৰ্কত বিদ্যালয়সমূহৰ বাবে পদ সৃষ্টি, খালী পদসমূহৰ যুক্তিসংগত পুনৰ্বিন্যাস (Rationalization) আৰু ইয়াৰ সৈতে জড়িত বাজেটৰ ব্যৱস্থা বিত্ত বিভাগৰ সৈতে সমন্বয় সাধন কৰাৰ পৰিকল্পনা কৰা হৈছে। উক্ত সকলো প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত আৰু সংশ্লিষ্ট সকলো বিভাগৰ অনুমতি লাভ কৰাৰ অন্তত গৃহসমূহ বিদ্যালয়লৈ কাৰ্যকৰী (Operationalization) কৰাৰ সন্দৰ্ভত পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(খ) বিদ্যালয়সমূহ কাৰ্যকৰী হোৱাৰ পিছত শিক্ষাবৰ্ষ আৰম্ভ কৰাৰ বাবে প্ৰয়োজনীয় পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(গ) দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ পৰা পোৱা তথ্য অনুসৰি ১১৯ নং সোনাই বিধান সভা সমষ্টিত নিৰ্মাণ কৰা "বোৱালি আই.টি.আই" Welfare of Minorities and Development Department ৰ অধীনত Multisectoral Development Scheme ৰ অধীনত সংশ্লিষ্ট জিলা প্ৰশাসনৰ দ্বাৰা নিৰ্মাণ কৰা হৈছে।

উপৰত (ক) প্ৰশ্নত উল্লেখিত PMJVK-ৰ অধীনত অসমত নিৰ্মিত ২১ খন আদৰশ আৱাসিক বিদ্যালয়ৰ গৃহসমূহ আদৰ্শ বিদ্যালয়, আই টি আই, ডিগ্ৰী-কলেজ বা স্কুল তথা স্কীল চেণ্টাৰ আদি বিভিন্ন উদ্দেশ্যত ব্যৱহাৰ কৰাৰ সন্দৰ্ভত বিবেচনা কৰি থকা হৈছে আৰু চূড়ান্ত সিদ্ধান্তত উপনীত হবলৈ বিভাগত অতিৰিক্ত সময় আৰু আলোচনাৰ প্ৰয়োজন হব।

(ঘ) এই বিষয়ে উপৰোক্ত 'গ' প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা হৈছে।

(ঙ) উচ্চ শিক্ষা সঞ্চালকালয়ৰ মাধ্যমেদি ইং ১৫/১০/২০২২ তাৰিখতে সোণাইৰ মাধৱ চন্দ্ৰ দাস মহাবিদ্যালয়ৰ বাবে বিজ্ঞান শাখাত ১৫টা শিক্ষকৰ পদ আৰু ৫টা অনা-শিক্ষকৰ পদ মঞ্জুৰ কৰা হৈছে। এই সংক্ৰান্তত শিক্ষক পদ নিযুক্তিৰ উদ্দেশ্যে মহাবিদ্যালয় কৰ্তৃপক্ষই ০২/০৮/২০২৬ তাৰিখে বিজ্ঞাপন প্ৰকাশ কৰি আগতীয়াকৈ দিহা দিয়া নিৰ্দেশনা অনুসৰণ কৰি সাক্ষাৎকাৰ তথা সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে।

কিন্তু মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ WP(C) No. 4874/2023, WP(C) No. 1212/2024 আৰু WP(C) No. 5389/2023 গোচৰসমূহৰ আদেশ পালনৰ বাবে মহাবিদ্যালয় কৰ্তৃপক্ষই নিৰ্বাচন সমিতিৰ প্ৰস্তাৱসমূহ পৰৱৰ্তী প্ৰয়োজনীয় কাৰ্য্যক্ৰমৰ বাবে উচ্চ শিক্ষা সঞ্চালকালয়লৈ প্ৰেৰণ কৰিব পৰা নাই। সেয়েহে, এই পৰ্যন্ত বিজ্ঞান শাখাত মাধৱ চন্দ্ৰ দাস মহাবিদ্যালয়ত নিযুক্তি দিব পৰা হোৱা নাই।

বৰ্তমান এই মহাবিদ্যালয়ৰ বিজ্ঞান শাখাটো 'ছেল্ফ-ফাইনেন্সিং' (Self-financing) পদ্ধতিৰ জৰিয়তে পৰিচালিত হৈ আছে। যোৱা সময়চোৱাত ২য়, ৪ৰ্থ আৰু ৬ষ্ঠ ষাণ্মাষিকৰ ১২০, ৭৮ আৰু ৬০ জন শিক্ষাৰ্থী পৰীক্ষাত উত্তীৰ্ণ হৈছে।

চলিত শিক্ষাবৰ্ষত আজি তাৰিখলৈকে FYUGA ১ম ষাণ্মাষিকত মুঠ ১৩৮ জন শিক্ষাৰ্থী ভৰ্তি হৈছে।

উল্লেখ্য যে, বিজ্ঞান বিষয়ৰ ব্যৱহাৰিক শ্ৰেণীৰ বাবে মহাবিদ্যালয়খনত আধুনিক বিজ্ঞানাগাৰ আছে।

আনহাতে, ১৯৬৪ চনত প্ৰতিষ্ঠিত জনতা মহাবিদ্যালয়, কাবুগঞ্জ হৈছে এখন কলা শাখাৰ মহাবিদ্যালয়, য'ত বৰ্তমান কলা শাখাত FYUG কাৰ্যসূচী চলি আছে। ২০২০-২১ বৰ্ষত মহাবিদ্যালয়খনে ১০ লাখ টকাৰ এককালীন অনুদান লাভ কৰিছিল, যিটো পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান আৰু জীৱ বিজ্ঞানৰ পৰীক্ষাগাৰ স্থাপনৰ বাবে ব্যৱহাৰ কৰা হৈছে। মহাবিদ্যালয়খনৰ পৰা বিজ্ঞান শাখা স্থাপনৰ বাবে নিয়ম-সাপেক্ষ প্ৰস্তাৱ পালে চৰকাৰী অনুমোদনৰ বাবে প্ৰেৰণ কৰিব পৰা যাব।

(চ) সমষ্টি ভিত্তিত Need-Base নীতি অনুসৰি মাননীয় বিধায়ক সকলে প্ৰস্তুত কৰা তালিকাৰ মতে প্ৰাথমিকতা অনুসৰি RIDF আঁচনিত মডেল স্কুল নিৰ্মাণৰ কাম হাতত লোৱা হয়। স্বাধীন বজাৰ মডেল হাইস্কুলৰ ক্ষেত্ৰত পৰৱৰ্তী পৰ্যায়ত Need-Base নীতি অনুসৰি উন্নয়নৰ ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব।

-----(উক্ত প্ৰশ্নোত্তৰ National e-Vidhan Application (NeVA) পৰ্টেলত উপলব্ধ কৰা হৈছে)--------